**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দুৰ্নীতিক এটা ৰোগ বুলি উল্লেখ কৰি ইয়াক শিপাৰে সৈতে নিৰ্মূল কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

২। বিদেশ মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতাৰ কৌশলগত গুৰুত্ব সম্পৰ্কে সজোৰে মত প্ৰকাশ কৰিছে।

৩। জম্মু-কাশ্মীৰৰ বাৰামূল্লা জিলাৰ ছোপোৰ এলেকাত নিৰাপত্তা বাহিনীৰে সৈতে হোৱা সংঘৰ্ষত দুটা সন্ত্ৰাসবাদী নিহত হয়।

৪। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ভাৰত আৰু ৰাছিয়া দশকজুৰি সহযোগী ৰাষ্ট্ৰ হৈ আছে বুলি প্ৰকাশ কৰিছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি ডাৰবানৰ কিংছমিডত অনুষ্ঠিত হ’ব।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দুৰ্নীতিক এটা ৰোগ বুলি উল্লেখ কৰি ইয়াক শিপাৰে সৈতে নিৰ্মূল কৰিব লাগে বুলি মত প্ৰকাশ কৰিছে। আজি নতুন দিল্লীত কেন্দ্ৰীয় সতৰ্কতা আয়োগৰ সতৰ্কতা সজাগতা সপ্তাহৰ অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে এইদৰে কয়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে, চৰকাৰে দুৰ্নীতি নিবাৰণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰে ভালেমান পদক্ষেপৰ বিষয়ে উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰত্যক্ষ লাভ হস্তান্তৰ আঁচনি, ই-মাৰ্কেত প্লেছ আৰু অৰ্থনৈতিক অপৰাধী আইনৰ বিষয়েও আলোকপাত কৰে। ৰাষ্ট্ৰপতিয়ে কয় যে, কেন্দ্ৰীয় সতৰ্কতা আয়োগে চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতিবছৰে এই সপ্তাহ পালন কৰি অহা হৈছে। বিশ্বাসেই এখন সমাজৰ মূল ভেটি বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰে সমাজত বিশ্বাসৰ অভাৱ ঘটায়। এইবেলি ৰাষ্ট্ৰৰ সমৃদ্ধিৰ বাবে সততাৰ সংস্কৃতিৰ মূলমন্ত্ৰৰে ২৮ অক্টোবৰৰ পৰা ৩ নৱেম্বৰলৈ এই সপ্তাহ পালন কৰা হয়। সতৰ্কতা সজাগতা সপ্তাহৰ লগতে আয়োগে ১৬ আগষ্টৰ পৰা ১৫ নৱেম্বৰলৈ তিনিমহীয়া প্ৰতিৰোধমূলক সতৰ্কতা অভিযানৰ আয়োজন কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু সংস্থাই এই অভিযানত ভাগ লৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱাৰ অৰ্ঘ্যৰে সামৰণি পৰা ষঠ পূজা উপলক্ষে সকলোৰে প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী মোদীয়ে কয় যে, চাৰিদিনজোৰা ষঠ মহাপৰ্বৰ জৰিয়তে প্ৰকৃতি আৰু সংস্কৃতিৰ অপূৰ্ব সমাহাৰ সকলোৱে প্ৰত্যক্ষ কৰে আৰু জনসাধাৰণক নতুন উদ্যম আৰু শক্তিৰে অনুপ্ৰাণিত কৰি তোলে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজেপিৰ জ্যেষ্ঠ নেতা লাল কৃষ্ণ আদবানীৰ আজি ৯৭ সংখ্যক জয়ন্তীত তেওঁৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে ভাৰতৰত্ন এল কে আদৱানী হৈছে দেশৰ বিকাশৰ বাবে নিজকে সমৰ্পণ কৰা দেশৰ অন্যতম আদৰণীয় ব্যক্তি। শ্ৰী মোদীয়ে লগতে কয় যে, শ্ৰী আদৱানীক সদায়ে তেওঁৰ উচ্চ বিচাৰধাৰা আৰু বুদ্ধিমত্তাৰ বাবে সন্মান জনাই অহা হৈছে।

oooooo

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতাৰ কৌশলগত গুৰুত্ব সম্পৰ্কে সজোৰে মত প্ৰকাশ কৰিছে। তেওঁ কয় যে, আছিয়ান আৰু ভাৰতৰ জনগাঠনি আৰু বৰ্ধিত চাহিদা পৰস্পৰৰ পৰিপূৰক হোৱাৰ লগতে বিশ্ব অৰ্থনীতিৰ মূল চালিকা শক্তি হোৱাৰ সম্ভাৱনা আছে। ড০ জয়শংকৰে আজি ছিংগাপুৰত অষ্টম আছিয়ান-ভাৰত নেটৱৰ্ক অব থিংক টেংক সন্মিলনত অংসগ্ৰহণ কৰি এইদৰে কয়। তেওঁ কয় যে, ভাৰত আৰু আছিয়ান দেশসমূহৰ মাজৰ সহযোগিতাই, সাম্প্ৰতিক সময়ৰ প্ৰত্যাহ্বানসমূহ সমাধান কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। শ্ৰী জয়শংকৰে লগতে ভাৰত আৰু আছিয়ানৰ মাজত থকা ৰাজনৈতিক জটিলতাসমূহৰ বিষয়ে স্বীকাৰ কৰি কয় যে এই জটিলতাসমূহ সমূহীয়াভাৱে সমাধান কৰাৰ আৱশ্যকতা আছে। এই সন্দৰ্ভত ম্যানমাৰৰ বিষয়ে ইংগিত দি তেওঁ কয় যে, সমীপৱৰ্তী দেশসমূহৰ আগ্ৰহৰ বিষয়বস্তু আৰু তেওঁলোকৰ দৃষ্টি ভংগী সদায় পৃথক হ'ব। ড০ জয়শংকৰে যোগাযোগৰ ক্ষেত্ৰত নতুন পদক্ষেপৰ প্ৰয়োজন সন্দৰ্ভতো সজোৰে মত প্ৰকাশ কৰে। তেওঁ ত্ৰিপাক্ষিক ঘাইপথ প্ৰকল্প, ভাৰত পশ্চিম এছিয়া আৰু ইউৰোপ ক'ৰিড'ৰ তথা আন্তঃৰাষ্ট্ৰীয় উত্তৰ-দক্ষিণ পৰিবহন ক'ৰিডৰ সন্দৰ্ভত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়েও আলোকপাত কৰে। তেওঁ কয় যে ভৱিষ্যতৰ সুযোগ-সুবিধাৰ লাভ পূৰ্ণমাত্ৰাই আহৰণ কৰাৰ উদ্দেশ্যে এই প্ৰকল্পসমূহত গুৰুত্ব বুজি পোৱাটো অতি প্ৰয়োজন। বিদেশ মন্ত্ৰীগৰাকীয়ে সেউজ হাইড্ৰ'জেন আৰু সেউজ এমনিয়াৰ গুৰুত্ব উপলব্ধি কৰাৰ ক্ষেত্ৰত অধিক মনোযোগ দিবলৈও আহ্বান জনায়।

ooooooo

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ভাৰত আৰু ৰাছিয়াৰ দশকজুৰি সহযোগী ৰাষ্ট্ৰ হৈ আছে বুলি সজোৰে প্ৰকাশ কৰিছে। শ্ৰী পুটিনে কালি ছছীত ভালডাই ডিছকাছন ক্লাবত দিয়া ভাষণত এইদৰে কয়। ভাৰতক এখন মহান ৰাষ্ট্ৰ বুলি উল্লেখ কৰি শ্ৰী পুটিনে লগতে কয় যে, মস্কো আৰু নতুন দিল্লীৰ মাজত সকলো খণ্ডতে সহযোগিতা বৃদ্ধি পাইছে। মুঠ ঘৰুৱা উৎপাদন বছৰি সাত দশমিক চাৰি শতাংশ হাৰত বৃদ্ধিৰে ভাৰতে অৰ্থনৈতিক ক্ষেত্ৰত নেতৃত্ব বহন কৰা বাবেও শ্ৰী পুটিনে প্ৰশংসা কৰে। তেওঁ লগতে দুয়োখন ৰাষ্ট্ৰৰ মাজৰ দ্বিপাক্ষিক সম্বন্ধ প্ৰতি বছৰে সুদৃঢ় কৰা ক্ষেত্ৰতো জোৰ দিব লাগে বুলিও মত প্ৰকাশ কৰে।

ooooooo

অসমৰ ৫টা সমষ্টিত হ'বলগীয়া উপ-নির্বাচনলৈ মাজত ৪টা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্রচাৰ অভিযান চলাইছে। কেন্দ্রীয় মন্ত্রী সর্বানন্দ সোণোৱালে আজি চিদলী আৰু বঙাইগাঁও বিধানসভা সমষ্টিত বিজেপি আৰু মিত্রজোঁটৰ প্রার্থীৰ হৈ নির্বাচনী প্রচাৰ সভাত অংশগ্রহণ কৰিছে।

বঙাইগাঁও বিধানসভা সমষ্টিৰ উপ-নির্বাচনৰ বাবেও ৰাজ্যৰ মূল ৰাজনৈতিক দলসমূহেও প্রচাৰ অভিযান চলাই আছে। সমষ্টিটোত বিজেপি মিত্রজোঁটৰ প্রার্থীৰ হৈ আজি বিজেপিৰ লগতে অগপৰ কেইবাজনো জ্যেষ্ঠ নেতাই প্রচাৰ সভাত অংশগ্রহণ কৰে। কংগ্রেছ দলেও সমষ্টিটোত দলীয় প্রার্থীৰ হৈ প্রচাৰ অভিযান ব্যাপক কৰি তুলিছে।

০০০০০০০

ভাৰতীয় ৰে'লৱে এই উৎসৱৰ বতৰত ৪ হাজাৰ ৫২১ খন ৰে'লগাড়ীৰ জৰিয়তে প্রায় ৬৫ লাখ যাত্রীক যাতায়াত কৰোৱাইছে। ৰে'ল মন্ত্ৰালয়ে জানিবলৈ দিয়া অনুসৰি ১ অক্টোবৰৰ পৰা ৫ নৱেম্বৰলৈকে বিহাৰ, ঝাৰখণ্ড আৰু উত্তৰ প্ৰদেশৰ পূব প্রান্তলৈ ৬ কোটি ৮৫ লাখৰো অধিক যাত্ৰীয়ে ৰে'লযোগে নিজৰ গন্তব্য স্থানলৈ যাত্রা কৰে।

ইপিনে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তৰফৰ পৰা জনোৱা অনুসৰি ষঠ পূজা উপলক্ষে হোৱা যাত্রীৰ ভিৰৰ প্রতি লক্ষ্য ৰাখি কাটিহাৰ মণ্ডলৰ পৰা আজিৰ দিনটোত চাৰিখন বিশেষ ৰে'লেৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

জম্মু-কাশ্মীৰৰ বাৰামুল্লা জিলাৰ ছোপোৰ এলেকাত নিৰাপত্তা বাহিনীৰে সৈতে হোৱা সংঘর্ষত দুটা সন্ত্রাসবাদী নিহত হয়। কাশ্মিৰ মণ্ডলৰ আৰক্ষী মুখপাত্ৰগৰাকীয়ে জনোৱা মতে জিলাখনৰ পানীপ'ৰা ছুপ'ৰ এলেকাত সন্ত্রাসবাদী থকাৰ সন্দেদ পোৱাৰ পৰিপ্রেক্ষিতত যোৱা নিশা নিৰাপত্তা বাহিনীয়ে এটা যুটীয়া সন্ত্রাসবাদী প্রতিৰোধী অভিযান চলে। নিৰাপত্তা বাহনীয়ে অঞ্চলটোত প্ৰৱেশ কৰাৰ লগে লগে তাত লুকাই থকা সন্ত্রাসবাদীয়ে গুলীচালনা কৰাৰ ফলত দুয়োপক্ষৰ মাজত সংঘর্ষৰ সূত্রপাত হয়। ঘটনাস্থলীৰ পৰা ভালমান অস্ত্র-শস্ত্র, গুলী-বাৰুদ আৰু সন্দেহজনক নথিপত্র উদ্ধাৰ পৰা হৈছে। নিহত সন্ত্রাসবাদীকেইটক এতিয়াও চিনাক্ত কৰিব পৰা হোৱা নাই।

০০০০০০০

ভাৰতৰ পংকজ আদৱানীয়ে কাটাৰৰ ড'হাত অনুষ্ঠিত আই চি এছ এফ বিশ্ব ছেম্পিয়নশ্বিপ ছেমিফাইনত ভাৰতৰ সৌৰভ কঠাৰীৰ মুখামুখি হ'ব। বর্তমানৰ ছেম্পিযন পংকজে যোৱা নিশা অনুষ্ঠিত কোৱার্টাৰ ফাইনেলত ধ্রুৱ ছিতৱালাক ৪-৩ৰ ব্যৱধানত পৰাস্ত কৰে।

আনখন ছেমিফাইনেলত ইংলেণ্ডৰ ৰবার্ট হ'লে ছিংগাপুৰৰ পিটাৰ গিলখ্রীষ্টৰ মুখামুখি হ'ব।

০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্রিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্রিকেট শৃংখলাৰ প্রথমখন খেল আজি ডাৰবানৰ কিংছমিডত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। সূর্যকুমাৰ যাদৱে ভাৰতীয় দলটোক নেতৃত্ব দিয়াৰ বিপৰীতে এইডেন মাৰ্ক্ৰামে দক্ষিণ আফ্রিকাক নেতৃত্ব দিব। ভাৰত সম্প্রতি আই চি চি পুৰুষৰ টি-টুৱেণ্টিৰ দলীয় বাছনি তালিকাত শীৰ্ষত থকাৰ বিপৰীতে দক্ষিণ আফ্রিকা ষষ্ঠ স্থানত আছে।

ভাৰতে নিজৰ শেষৰখন টি-২০ শৃংখলাত দেশৰ মাটিত বাংলাদেশৰ বিৰুদ্ধে ৩-০ ফলাফলেৰে বিজয় সাব্যস্ত কৰিছিল। অৱশ্যে বিশ্বকাপৰ ৰানাৰ্ছআপ দলটোৰ বিৰুদ্ধে বিদেশত অনুষ্ঠিত হ'বলগীয়া এই খেলখন ভাৰতৰ বাবে কিছু কঠিন হোৱাৰ সম্ভাৱনা আছে। দুয়োটা দলে আই চি চি পুৰুষৰ টি-২০ বিশ্বকাপৰ ফাইনেলত চলিত বর্ষৰ জুনত শেষৰবাৰ মুখামুখি হৈছিল। ব্রীজটাউনৰ কেনছিংটন অভেলত অনুষ্ঠিত এই খেলখনত ভাৰত ৭ ৰানত জয়ী হৈছিল।

শৃংখলাৰ দ্বিতীয়খন খেল দেওবাৰে গেকেবেৰাত খেলোৱা হ'ব। তৃতীয়খন খেল চেঞ্চুৰিয়নত আৰু চতুৰ্থ তথা অন্তিমখন খেল জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব।

০০০০০০

ভাৰতৰ কিৰণ জৰ্জ আজি ইঞ্চান চহৰত অনুষ্ঠিত কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। জৰ্জে পুৱা অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত জাপানৰ টাকুমা ওবায়াছিক ২১-১৪, ২১-১৬ পোনপটীয়া ছেটত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে জৰ্জে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত টাইৱানৰ চি য়ু জেনক ২১-১৭, ১৯-২১, ২১-১৭ গেমত কালি পৰাস্ত কৰিছিল। কিৰণ জৰ্জ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা একমাত্ৰ ভাৰতীয় খেলুৱৈ।

০০০০০০

সমাপ্ত